জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮০/২০২১

# জনসাধাৰণৰ হিতাৰ্থে বিভিন্ন অনলাইন সেৱা (ই-চাৰ্ভিচ)ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## গুৱাহাটী পৌৰ নিগমলৈ চুপাৰ শ্বাকাৰ মেচিন আৰু ৰাজ্যৰ পৌৰ নিকায়-নিগমসমূহৰ বাবে ট্ৰাক মাউণ্টেড চেচপুল ক্লিনাৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## এতিয়াৰে পৰা গৃহ নিৰ্মাণৰ অনুমতি, ব্যৱসায়ৰ অনুজ্ঞাপত্ৰ আৰু সম্পত্তি কৰৰ বাবে জনসাধাৰণে কাৰ্যালয়লৈ আহিব নালাগে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ দ্বাৰা শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজন কৰা এক অনুষ্ঠানত ৰাজ্যৰ জনসাধাৰণৰ হিতাৰ্থে তাৎক্ষণিক ব্যৱসায় অনুজ্ঞাপত্ৰ প্ৰদান, সম্পত্তি কৰ নিৰ্দ্ধাৰণ তথা পৰিশোধ ব্যৱস্থা, গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান প্ৰণালী আৰু প্ৰকল্প ব্যৱস্থাপনা আৰু নিৰীক্ষণ প্ৰণালী অনলাইন সেৱা (ই-চাৰ্ভিচ)ৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে স্মাৰ্ট চিটি প্ৰজেক্টৰ অধীনত গুৱাহাটী পৌৰ নিগমৰ গুৱাহাটী চুপাৰ শ্বাকাৰ মেচিনৰ উদ্বোধন কৰাৰ লগতে অসমৰ পৌৰ নিকায়-নিগমসমূহৰ বাবে ট্ৰাক মাউণ্টেড চেচপুল ক্লিনাৰ বিতৰণ কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে 'স্বচ্ছ সৰ্বেক্ষণ'ৰ বাবে ৰাষ্ট্ৰীয় বঁটা লাভ কৰা ৯ খন পৌৰ সভা তথা টাউন সমিতিলৈ মানপত্ৰ, নগদ পুৰস্কাৰ আৰু অনুমোদন পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। উল্লেখ্য যে পৰিষ্কাৰ চহৰ হিচাপে তেজপুৰ আৰু গোলাঘাট, উদ্ভাৱন আৰু শ্ৰেষ্ঠ পদক্ষেপ চহৰ শিতানত বঙাইগাঁও, যোৰহাট, তিনিচুকীয়া আৰু হাইলাকান্দি, শ্ৰেষ্ঠ স্বনিৰ্ভৰশীল চহৰ কোকৰাঝাৰ আৰু লখিমপুৰ, দ্ৰুততম অগ্ৰগতি লাভ কৰা চহৰ হিচাপে হাফলঙে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কেইবাগৰাকী হিতাধিকাৰীক সম্পত্তি কৰৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মানুহৰ জীৱন সহজ আৰু সৰল কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। ২৪ ঘণ্টাই যাতে জনসাধাৰণক চৰকাৰী সেৱা উপলব্ধ কৰিব পৰা যায় তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰযুক্তিগত দিশত পদক্ষেপ গ্ৰহণ কৰিছে। ইয়ে জনসাধাৰণক স্বচ্ছ, সময় সাপেক্ষ আৰু দায়বদ্ধ সেৱা লাভ কৰাত বিশেষভাৱে সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়াৰে পৰা জনসাধাৰণে গৃহ নিৰ্মাণৰ অনুমতি, সম্পত্তি কৰ, ব্যৱসায়ৰ অনুজ্ঞাপত্ৰৰ বাবে চৰকাৰী কাৰ্যালয়লৈ নোযোৱাকৈয়ে লাভ কৰিব পাৰিব। তেওঁ কয় যে ইতিমধ্যে লাৰ্ণাৰ লাইচেন্স আদিকে ধৰি কেইবাটাও সেৱা

অনলাইন মাধ্যমৰ জৰিয়তে সামৰি লোৱা হৈছে। ‘মিছন বসুন্ধাৰ’ৰ প্ৰতি জনসাধাৰণে ব্যাপক সঁহাৰি জনাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প’ৰ্টেলত ৯ লাখ মানুহে আৱেদন কৰিছে। সেৱা প্ৰদানকাৰী বিষয়সমূহক বৰ্তমানৰ চৰকাৰখনে এক বিশেষ আৰ্হি হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে স্মাৰ্ট চিটিৰ অধীনত গুৱাহাটী মহানগৰীৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সমূহৰ বিষয়েও সদৰি কৰে।

গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী অশোক সিংহলেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মোহন, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বলিন চেতিয়া, মানৱ ডেকা, কেইবাখনো জিলাৰ উপায়ুক্ত আৰু অন্যান্য বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১০-১২-২০২১**